# উদ্ভিদৰ আহাৰ

## সাধাৰণ বিজ্ঞান

**১। কিহৰ দ্বাৰা উদ্ভিদে আহাৰ তৈয়াৰ কৰে?**

**উত্তৰঃ** উদ্ভিদৰ পাতে আহাৰ তৈয়াৰ কৰে।

**২। উদ্ভিদৰ শিপাৰ কাম কি?**

**উত্তৰঃ** শিপাই মাটিৰ পৰা পানী আৰু খনিজ লৱণ শুহি লৈ গা-গছেৰে পাতলৈ পঠায়।

**৩। উদ্ভিদৰ পাতত থকা পত্ৰহৰিতে কি কাম কৰে?**

**উত্তৰঃ** পাতত থকা পত্ৰহৰিতে সূৰ্য্যৰ পোহৰত পানী আৰু বায়ুমণ্ডলৰ এঙাৰ গেছ লগ লগাই চেনি জাতীয় খাদ্য তৈয়াৰ কৰে।

**৪। গছৰ খাদ্য কেতিয়া প্ৰস্তুত নহয় ?**

**উত্তৰঃ** আন্ধাৰত গছৰ খাদ্য প্ৰস্তুত নহয়।

**৫। পত্ৰহৰিৎ ক’ত থাকে?**

**উত্তৰঃ** সাগৰ-ফেনা, সিজু আদি উদ্ভিদৰ গা-গছত পত্ৰহৰিৎ থাকে।

**৬। উদ্ভিদে কত খাদ্য জমা কৰি ৰাখে ?**

**উত্তৰঃ** উদ্ভিদে ফল, বীজ, কাণ্ড, পাত আৰু শিপাত খাদ্য জমা কৰি ৰাখে।

**৭। উদ্ভিদে জমা কৰা খাদ্যৰ কাৰ প্ৰয়োজনত আহে?**

**উত্তৰঃ** উদ্ভিদে জমা কৰা খাদ্য মানুহ আৰু আন প্ৰাণীয়ে খায়।

# অনুশীলনী

**১। তলত দিয়া উদ্ভিদবোৰে কোন অংশত খাদ্য জমা ৰাখে লিখাঃ**

**তিচি, ধান, বাদাম, ওলকবি, চালগোম, বেঙেনা, পাতে গজা, আদা, নহৰু।**

**উত্তৰঃ**

| | |
|---|---|
| তিচি | বীজ |
| ধান | বীজ |
| বাদাম | বীজ |
| ওলকবি | গা-গছ |
| চালগোম | মঙহাল পাতে জমা ৰাখে |
| বেঙেনা | ফল |
| পাতে-গজা | মঙহাল পাতে জমা ৰাখে |
| আদা | কাণ্ডত জমা ৰাখে |
| নহৰু | কাণ্ডত জমা ৰাখে |

**২। কাঠফুলা, ভেকুৰ আদিয়ে কিয় খাদ্য তৈয়াৰ কৰিব নোৱাৰে?**

**উত্তৰঃ** উদ্ভিদে পাতত থকা পত্ৰহৰি নামৰ সেউজীয়া পদাৰ্থ এবিধৰ সহযোগত খাদ্য প্ৰস্তুত কৰে। কাঠফুলা, ভেকুৰ আদিৰ দেহত পত্ৰহৰিৎ নাথাকে। সেয়েহে কাঠফুলা,ভেকুৰ আদিয়ে খাদ্য তৈয়াৰ কৰিব নোৱাৰে।

**৩। তিনিবিধ পতংগভোজী উদ্ভিদৰ নাম লিখা ?**

**উত্তৰঃ** তিনিবিধ পতংগভোজী উদ্ভিদ হ'ল–কলচী, ৰদমুকুতা, দ্ৰ'ছেৰা।

**৪। খালী ঠাই পূৰ কৰা :**

ক) পাতে খাদ্য তৈয়াৰ কৰোতে কাৰ্বন-ডাই- অক্সাইড গেছ বায়ুৰ পৰা শুহি লয় আৰু অক্সিজেন গেছ এৰি দিয়ে।

খ) পাহৰিৎ থকা বাবে পাতৰ ৰং সেউজীয়া হয়।

গ) পাতৰ পৰা কাণ্ডৰে গোটেই গছজোপালৈ খাদ্য যায়।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। শিপাৰ আন এটা নাম কি?**

**উত্তৰঃ** শিপাৰ আন এটা নাম- মূল।

**২। পত্ৰৰন্ধ্ৰ কাক বোলে?**

**উত্তৰঃ** উদ্ভিদৰ পাতত কিছুমান সৰু সৰু চকুৰে মনিব নোৱাৰা বিন্ধা থাকে। এই বিন্ধাবোৰক পত্ৰৰঞ্জ বোলে।

**৩। এবিধ পৰজীৱী আৰু এবিধ মৃতজীবী উদ্ভিদৰ নাম লিখা ?**

**উত্তৰঃ** এবিধ পৰজীৱি উদ্ভিদ – স্বৰ্ণলতা।

এবিধ মৃতজীৱি উদ্ভিদ – কাঠফুলা।

**৪। উদ্ভিদ কিহে আহাৰ তৈয়াৰ কৰে?**

**উত্তৰঃ** উদ্ভিদৰ পাতে আহাৰ তৈয়াৰ কৰে।

**৫। উদ্ভিদে ক'ত ক'ত খাদ্য জমা কৰি ৰাখে ?**

**উত্তৰঃ** উদ্ভিদে ফল, বীজ, কাণ্ড, পাত আৰু শিপাত খাদ্য জমা কৰি ৰাখে।

**৬। গা-গছত পত্ৰহৰিৎ থকা দুবিধ উদ্ভিদৰ নাম লিখা?**

**উত্তৰঃ** গা-গছত-পত্ৰহৰিৎ থকা দুবিধ উদ্ভিদ হ'ল—সাগৰফেনা, সিজু।

**৭। উদ্ভিদে কেনেদৰে খাদ্য প্ৰস্তুত কৰে?**

**উত্তৰঃ** উদ্ভিদৰ পাতত থকা পত্ৰহৰিতে সূৰ্য্য পোহৰত পানী আৰু বায়ুমণ্ডলৰ এঙাৰ গেছ লগ – লগাই চেনিজাতীয় খাদ্য তৈয়াৰ কৰে।